# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-April-2026
**Time :** 07.55 Hrs

## *Assamese Morning Bulletin*

ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্ত পৰিবলৈ মাজত মাথো ৪ টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি ৰামকৃষ্ণ নগৰ আৰু লক্ষীপুৰ বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কালি কমলপুৰ, মঙলদৈ আৰু নিউ গুৱাহাটী সমষ্টিত প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ৩ খন প্ৰচাৰ সভাত ভাষণ দিয়ে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বৰপেটা আৰু বৰছলাত প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি পাঁচটাকৈ নিৰ্বাচনী প্ৰচাৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সূচী অনুসৰি পুৱা ১১ বজাত মাহমৰা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। মাহমৰা সভাখনৰ পাছত হিমন্ত বিশ্ব শৰ্মাই ক্ৰমাগতভাৱে সোণাৰী, নাজিৰা আৰু মৰিয়ণি সমষ্টিত ৩খন প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰিব। সন্ধ্যা বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে যোৰহাটৰ ৰাজপথত ৰোড শ্ব'ত ভাগ ল'ব। ডঃ শৰ্মাই কালি বৰাক উপত্যকাত কেইবাখনো নিৰ্বাচনী সভাত অংশ লৈ এইবাৰৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে আশানুৰূপ ফলাফল লাভ কৰিব বুলি আস্থা ব্যক্ত কৰে।

(বাইট)

অৰুণাচলৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱেও ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে দলটোৰ প্ৰাৰ্থীহৈ ধাৰাবাহিকভাৱে প্ৰচাৰ চলায় আহিছে। অৰুণাচলৰ মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নাওবৈচা, ৰঙানদী আৰু লক্ষীমপুৰ সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্য্যই আজি ৰাজ্যৰ দুটা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাব।দিনৰ ভাগত গোৱালপাৰা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে সন্ধ্যা দিছপুৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ গ্ৰহণ কৰিব।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়েও আজি চাৰিখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। পুৱাৰ ভাগতে পৰ্বতঝোৰাত, দুপৰীয়া ভাগত গৌৰীপুৰ আৰু বিলাসীপাৰাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। একেদৰে বিয়লিৰ ভাগত নলবাৰীত গৌৰৱ গগৈয়ে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৰাকীয়ে কালি সন্ধিয়াৰ ভাগত গুৱাহাটীত ৰাজগড়ৰ পৰা ভঙাগড় গণেশগুৰি হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

ইপিনে সৰুপথাৰত বিৰোধী মিত্ৰজোটৰ হৈ কালি অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট নিৰ্বাচনী জিলাৰ জিলা আয়ুক্ত জয় শিৱানীয়ে কালি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালক বিদ্যালয় পৰিদৰ্শন কৰি নিৰ্বাচনী ষ্ট্ৰং ৰুমৰ প্ৰস্তুতি আৰু

নিৰাপত্তা ব্যৱস্থাৰ বুজ লয়। এই পৰিদৰ্শনকালত তেওঁ বিদ্যালয়খনত স্থাপন কৰা মৰিয়নি, যোৰহাট আৰু তিতাবৰ বিধানসভা সমষ্টিৰ ষ্ট্ৰং ৰূমৰ নিৰ্মাণ আৰু সুৰক্ষা সম্পৰ্কীয় দিশসমূহ পুংখানুপুংখভাৱে পৰীক্ষা কৰাৰ লগতে নিৰ্বাচনী প্ৰস্তুতিৰ অগ্ৰগতিৰ বুজ লয়। ষ্ট্ৰংৰূমৰ লগতে তেওঁ নিৰ্বাচনী সামগ্ৰী বিতৰণ আৰু গ্ৰহণ কেন্দ্ৰটো পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীৰ এই পৰিদৰ্শনৰ সময়ত ৰিটাৰ্ণিং বিষয়াৰ লগতে অন্যান্য বিষয়াসকলেও সহযোগিতা আগবঢ়ায়। নিৰ্বাচনৰ পূৰ্বে ষ্ট্ৰং ৰূমৰ যাৱতীয় নিৰাপত্তা নিশ্চিত কৰিবলৈ আৰু সকলো প্ৰস্তুতি সঠিকভাৱে সম্পন্ন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় নিৰ্দেশ প্ৰদান কৰে।

০০০০০০০

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জীয়নৰ দ্বিতীয় পৰ্যায়ৰ পৰীক্ষণ কাৰ্যসূচী কালি সম্পন্ন হয়। যোৱা ২ এপ্ৰিলত টীয়ক আৰু যোৰহাট সমষ্টিৰ প্ৰাৰ্থীসকলৰ পঞ্জীয়নসমূহ ব্যয় পৰ্যবেক্ষক বি জ্যোতি কিৰণৰ উপস্থিতিত পৰীক্ষা কৰা হয়। একেদৰে কালি মৰিয়নি আৰু তিতাবৰ সমষ্টিৰ প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জীয়ন পৰ্যবেক্ষক নিখিল আগৰৱালাৰ উপস্থিতিত পৰীক্ষণ কৰা হয়। যোৰহাট আৰ্ৰত ভৱনত অনুষ্ঠিত এই পৰীক্ষণকালত ৰিটাৰ্ণিং বিষয়া, সহকাৰী আয়ুক্ত আদিৰ লগতে নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা কৰাৰ লক্ষ্যৰে এই নিৰীক্ষণ সম্পন্ন কৰা হয়।

০০০০০০০

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী প্ৰশান্ত ফুকনে কালি সংকল্প পত্ৰ মুকলি কৰে। ডিব্ৰুগড়ৰ থানা চাৰিআলিত থকা বিজেপি নিৰ্বাচনী কাৰ্যালয়ত আনুষ্ঠানিকভাৱে মুকলি কৰা এই সংকল্পপত্ৰখনত জিলাখনত এখন উচ্চ ন্যায়ালয়ৰ এখন বিচাৰপীঠ স্থাপন, মোহনবাৰী বিমান বন্দৰক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰলৈ উন্নীত কৰাটো মূল ইচ্যু হিচাপে লৈ বিজেপিয়ে ৰাইজৰ হকে কাম কৰি যাব বুলি উল্লেখ কৰে। ৭৭ পৃষ্ঠা সন্নিবিষ্ট সংকল্প পত্ৰত ১৯ টা অধ্যায় সংযোজন কৰা হৈছে, যাৰ জৰিয়তে ৰাজ্যৰ লগতে দেশৰ বহুকেইটা দিশৰ উন্নয়নত আলোকপাত কৰা হৈছে।

০০০০০০০

**সমাপ্ত**